# DEPARTMENTAL PROFILE

## ASSAMESE DEPARTMENT

**ACTIVITIES FROM**
**JANUARY TO NOVENBER**
**2022**

# MARIANI COLLEGE

## JORHAT, ASSAM

**ফেব্ৰুৱাৰী,২০২২ পৰা নৱেম্বৰ,২০২২ লৈ অসমীয়া বিভাগে ৰূপায়ণ কৰা কাৰ্যাৱলীৰ প্ৰতিবেদন।**

# Activities of Assamese Department from February,2022 to Nov. 2022

## কাৰ্যসূচী ঃ ১

**৭ ফেব্ৰুৱাৰী,২০২২ ঃ 'সতীৰ্থ সন্মীলন' ঃ 7 Feb, 2022 (ALUMINI MEET)**

আজিৰ দিনটোত অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এখন 'সতীৰ্থ সন্মিলন' আয়োজন কৰা হয়। সন্মীলনত প্ৰায় ৫০ জন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ২০০০ চনত স্নাতক ডিগ্ৰী লাভ কৰা পূৰ্ণ চুতীয়া আছিল আজিৰ সতীৰ্থ সন্মিলনত উপস্থিত থকা সবাতোকৈ পুৰণি ছাত্ৰ। এই সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মনৰ আন্তৰিক অনুভৱ প্ৰকাশ কৰে। বিভাগে পুৰণি ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে তেওঁলোককো বিভাগৰ সৈতে সু-সম্পৰ্ক বজায় ৰাখিবলৈ আহ্বান জনায়। লগতে অসমীয়া বিভাগে 'অন্বেষণ' নামৰ অসমীয়া সাহিত্য চ'ৰাৰ মুখপত্ৰখন প্ৰকাশ কৰাৰ বিষয়ে তেওঁলোকক অৱগত কৰে য'ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লেখা তেওঁলোকক অৱগত কৰে য'ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লেখা সন্নিবিষ্ট কৰাৰ পৰিকল্পনা কৰা হৈছে। সেয়ে তেওঁলোকক বিভিন্ন বিষয়ৰ লেখা আগবঢ়াবলৈ বিভাগে আহ্বান জনায়।





## কাৰ্যসূচী ঃ ২

**৯ এপ্ৰিল, ২০২২ - বিভাগীয় সভা ঃ**

আজি অসমীয়া বিভাগৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ এখন বিভাগীয় সভা আহ্বান কৰা হয়। সভাত অহা ১১ এপ্ৰিল তাৰিখে বিভাগৰ উদ্যোগত ব'হাগী আদৰণি আয়োজন কৰাৰ সিদ্ধান্ত কৰা হয়।

## কাৰ্যসূচী ঃ ৩

**১১ এপ্ৰিল, ২০২২ - ব'হাগী আদৰণি ঃ**

Celebrated Pre Rangalai Bihu Festival :

আজি অসমীয়া বিভাগৰ উদ্যোগত ব'হাগী আদৰণি অনুষ্ঠিত কৰা হয়। প্ৰথমে মহাবিদ্যালয়ৰ অধ্যক্ষ মঞ্জুলা বৰঠাকুৰে সকলোকে ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰি আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে জেং বিহু প্ৰদৰ্শন কৰে। নিমন্ত্ৰিত শিশু শিল্পী আৰু কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বিন্দু বুঢ়াগোহাঁয়ে ঢোলবাদন কৰাৰ অন্তত তেওঁলোকৰ সহযোগত শিক্ষক-শিক্ষয়িত্ৰী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মুকলি বিহুত অংশ গ্ৰহণ কৰে। ব'হাগ বিহুৰ লগত সংগতি ৰাখি বিভাগে কণী যুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰে।








# DEPARTMENTAL ACTIVITIES FROM MAY TO NOVENBER 2022

# MARIANI COLLEGE

## JORHAT, ASSAM

## কাৰ্যসূচী ঃ ১

১৭/৫/২০২২ ক্ষেত্ৰ অধ্যয়ন ঃ

A Field Study trip on Katanibari T.E., Mariani for Project Work of DSE - 3 paper (6th Semester)

ষষ্ঠ যান্মাসিকৰ উচ্চমানৰ পাঠ্যক্ৰমৰ প্ৰকল্প প্ৰস্তুতৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসহ তিতাবৰ শ্যাম গাঁৱত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হয়।







## কাৰ্যসূচী ঃ ২

২৬/৫/২০২২ ক্ষেত্ৰ অধ্যয়ন ঃ

ষষ্ঠ যান্মাসিকৰ উচ্চমানৰ পাঠ্যক্ৰমৰ প্ৰকল্প প্ৰস্তুতৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসহ তিতাবৰ শ্যাম গাঁৱত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হয়।

A Field Study trip on Balijan Shyamgaon, Titabar for Socio Cultural Studies for Project Work of DSE - 3 paper (6th Semester) DSE - 3 paper (6th Semester)






## কাৰ্যসূচী ঃ ১

**২৭/৫/২০২২ দলীয় আলোচনা ঃ**

Group Discussion of 2nd Semester :

আজি দ্বিতীয় ষান্মাসিকৰ উচ্চমানৰ C-2 পাঠ্যক্ৰমৰ আধাৰত দলীয় আলোচনা আয়োজন কৰা হয়। আলোচনাত সৰ্বমুঠ ৭ টা দলে অংশগ্ৰহণ কৰে। আলোচনাৰ আঁত ধৰে অধ্যাপিকা ৰিম্পী লাহনে।







## কাৰ্যসূচী ঃ ৪

**২৮/৫/২০২২ চলচিত্ৰ প্ৰিমিয়াৰ প্ৰদৰ্শনী ঃ**

Premiere show on Assamese Film “Emuthi Puthi’. Directed by - Kulanandini Mahanta, Flim Maker - Bhaskar Hazarika.

মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসমীয়া বিভাগৰ উদ্যোগত ‘এমুঠি পুথি’ নামৰ চলচিত্ৰৰ প্ৰিমিয়াৰ (প্ৰদৰ্শনী) অনুষ্ঠিত হয়। চলচিত্ৰখনৰ নিৰ্মাতা ভাস্কৰ হাজৰিকা, পৰিচালক কুল নন্দিনী মহন্তৰ বিশেষ অনুৰোধত অসমীয়া বিভাগে এই অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠান মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালাদেৱে। অনুষ্ঠানত চলচিত্ৰৰ নিৰ্মাতা, পৰিচালক আৰু কলা-কুশলীসকলৰ উপৰি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।








**কাৰ্যসূচী ঃ ১**

**১৩/৬/২০২২ গোট আলোচনা ঃ**

Group Discussion of 6th Semester :

ষষ্ঠ ষান্মাসিকৰ DSE-3 ‘বিশ্ব সাহিত্য’ পাঠ্যক্ৰমৰ গোট আলোচনা কৰা হয়। ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা গোট আলোচনাৰ ৩ টা গোট নিৰ্দ্ধাৰণ কৰা হয়। গোটৰ প্ৰতি গৰাকী ছাত্ৰই সক্ৰিয় অংশ গ্ৰহণ কৰে। তলত প্ৰতিটো গোটৰ ছাত্ৰ-ছাত্ৰীসকলৰ নাম উল্লেখ কৰা হ’ল।

(গোট আলোচনা পৰিচালনা কৰে বিভাগৰ সহকাৰী অধ্যাপিকা সুগন্ধি দাসে)

**প্ৰথম গোট** ঃ (আফকেজ টেন উপন্যাসত শিশু চৰিত্ৰ) - ডিম্পী শইকীয়া, পদুমী মাঝি, মমী গগৈ, মুচকান বেগম।

**দ্বিতীয় গোট** ঃ (আফকেজ টেন উপন্যাসত মাতৃত্ববোধ) - পিয়াক্ষী পাও, নেহা দাস, ডিম্পী গগৈ, মনিকা গগৈ।

**তৃতীয় গোট** ঃ (আফকেজ টেন উপন্যাসত জীৱন সংগ্ৰাম) - ইযান বৰা, সীমাশ্ৰী গগৈ, ৰিনাক্ষী ঠাকুৰ।



**কাৰ্যসূচী ঃ ১**

**১৮/৬/২০২২ বহিঃ মূল্যায়কৰ বিভাগীয় দৰ্শন ঃ**

Departmental Inspection by External Evaluator(Govt.)

Dr. Jugen Kalita

Dr. Jayanta Gogoi

আজি মহাবিদ্যালয়ৰ বহিঃ মূল্যায়নৰ বাবে অহা ড°যোগেন কলিতা আৰু ড° জয়ন্ত গগৈয়ে অসমীয়া বিভাগত উপস্থিত হৈ বিভিন্ন দিহা-পৰামৰ্শ বিভাগক আগবঢ়ায়।






**কাৰ্যসূচী ঃ ১**

**২০/৬/২০২২ বিষ্ণু ৰাভা দিৱস ঃ**

Celebrated Bishnu Rabha Divas :

২০/৬/২০২২ তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত, অসমীয়া সাহিত্য চ'ৰাৰ সহযোগত বিষ্ণু ৰাভা দিৱস উপলক্ষে বিষ্ণুৰাভা সংগীতত নৃত্য প্ৰতিযোগিতা আয়োজন কৰা হয়। প্ৰতিযোগিতাত প্ৰথমতে অধ্যক্ষ ড° হৰেণ গোৱালাদেৱে এনে অনুষ্ঠান আয়োজনৰ বাবে ধন্যবাদ জনায় আৰু বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক বিষ্ণুৰাভাৰ অৱদানৰ বিষয়ে প্ৰবন্ধ লিখিবলৈ আহ্বান জনায় আৰু শ্ৰেষ্ঠ প্ৰবন্ধ নিৰ্বাচন কৰি নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

নৃত্য প্ৰতিযোগিতাত তলত উল্লেখ কৰা ছাত্ৰ-ছাত্ৰীসকলে পুৰস্কাৰ লাভ কৰে --

প্ৰথম ঃ পলি গগৈ (অসমীয়া বিভাগ, দ্বিতীয় ষান্মাসিক)

দ্বিতীয় ঃ পায়েল দে (ইংৰাজী বিভাগ)

তৃতীয় ঃ অঞ্জলি গগৈ (ৰাজনীতি বিভাগ)।

বিচাৰক হিচাপে উপস্থিত থাকে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী (অসমীয়া বিভাগ) ক্ৰমে স্নেহা শইকীয়া আৰু ঈষান বৰা।





**কাৰ্যসূচী ঃ ১**

**২১/৬/২০২২ বিদায় সভা ঃ**

Farewell Meeting of 6th Semester Student :

আজি অসমীয়া বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিক বিদায় সভা ‘স্নেহবন্ধন’ অনুষ্ঠিত হয়। এই সভাত বৰ্তমানৰ দ্বিতীয় আৰু চতুৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে এক সুন্দৰ গীত-মাতৰ কাৰ্যসূচীৰে ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক বিদায় সম্ভাষণ জ্ঞাপন কৰে। শিক্ষক-শিক্ষয়িত্ৰীৰ একাষাৰত বিভাগীয় শিক্ষক মণ্ডলীয়ে ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি ব্যক্তিগত জীৱনত সফলতা লাভ কৰাৰ লগতে পৰিয়াল, পিতৃ-মাতৃ আৰু সমাজৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য পালনৰ বাবে আহ্বান জনায়।







**কাৰ্যসূচী ঃ ৯**

**২১/৬/২০২২ বিভাগীয় সভা ঃ**

Departmental Meeting :

অসমীয়া বিভাগ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আজি এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালাদেৱৰ আহ্বানত বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিষ্ণুৰাভাৰ অৱদান শীৰ্ষক এখন ৰচনা প্ৰতিযোগিতাৰ কথা বিভাগীয় মুৰব্বী ড° মানৱী গগৈয়ে ঘোষণা কৰে। ৰচনাসমূহ আগষ্টৰ ভিতৰত জমা দিবলৈ মুৰব্বীয়ে আহ্বান জনায়।

কাৰ্যসূচী ঃ ১০

০১/০৭/২০২২ -  ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস ঃ

56th Anniversary of Mariani College.

Shradhanjali Anusthan Organised by - Department of  Assamese.













**কাৰ্যসূচী ঃ ১০**

**১১/৭/২০২২ বাছনি পৰীক্ষা - ১**

Entrance for 1st Semester Admission :

11/07/2022

অসমীয়া উচ্চমান বিষয়ৰ বাবে আবেদন কৰা ছাত্ৰ--ছাত্ৰীৰ নিৰ্বাচনৰ বাবে আজি বাছনি পৰীক্ষা অনুষ্ঠিত কৰা হয়। এই বাছনি পৰীক্ষাত প্ৰায় ৩১ গৰাকী প্ৰাৰ্থী আৰতীৰ্ণ হয়।

**কাৰ্যসূচী ঃ ১২**

**১৩/৭/২০২২ বাছনি পৰীক্ষা - ২**

11/07/2022 - Entrance for 1st Semester Admission - 2

ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ আন এটি বাছনি পৰীক্ষা অনুষ্ঠিত কৰা হয়। দ্বিতীয় বাছনি পৰীক্ষাত পুনৰ ৪১ জন ছাত্ৰ-ছাত্ৰী অৰতীৰ্ণ হয়। দুয়োটা পৰীক্ষাৰ অন্তত সৰ্বমুঠ ৫৪ জন ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰা হয়।



## কাৰ্যসূচী ঃ ১০

ত্মৰ/০জ্জ্ব/চত্মচচ **বৃক্ষৰোপন ঃ**

01/08/2022 - Chief Minister Institutional Plantation Programme :

Chief Minister Institutional Plantation Programmeৰ অধীনত মৰিয়নি মহাবিদ্যালয়ৰ NSS গোটৰ আহ্বান মৰ্মে অসমীয়া বিভাগে মৰিয়নিৰ নকছাৰি অঞ্চলৰ তিৰুৱাল ভেটা প্ৰাথমিক বিদ্যালয় আৰু ৩১২ নং মৰঙীয়াল প্ৰাথমিক বিদ্যালয়ত বৃক্ষৰোপন কৰে। দুয়োখন বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ সহযোগত সাঁচিগছৰ পুলি ৰোৱা হয়।







## কাৰ্যসূচী ঃ ১৪

০৪/০৮/২০২২ **বৃক্ষৰোপন ঃ**

04/08/2022 - Azadi ki Amrit Mahotsav :

অসমীয়া বিভাগে 'আজাদী কী অমৃত মহোৎসৱ' কাৰ্যসূচীৰ অধীনত মৰিয়নি মহাবিদ্যালয়ৰ কাষৰীয়া নগাধূলী জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত এলানি বৃক্ষৰোপন কাৰ্য ৰূপায়ন কৰে। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ সহযোগত অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীসকলে কেইবাটাও সাঁচি গছৰ পুলি বিদ্যালয় চৌহদত ৰোপন কৰে।






**কাৰ্যসূচী ঃ ১০**

**২০/০৮/২০২২  বিভাগীয় সভা ঃ**

20/08/2022 - DEPARTMENTAL MEETING :

অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত প্ৰবন্ধ সঞ্চয়নৰ তৃতীয় খণ্ডৰ প্ৰকাশ সম্পৰ্কীয় বিষয় আলোচনাৰ বাবে বিভাগীয় সভা অনুষ্ঠিত কৰা হয়।

**কাৰ্যসূচী ঃ ১৬**

**২৩/০৮/২০২২  নৱাগত আদৰণি সভা ঃ**

23/08/2022 - DEPARTMENTAL FRESHERS :









কাৰ্যসূচী ঃ ১০

**30/08/2022 :** Way to J.B. College with 6th & 3rd Sem. Students for participated 'Hitesh Deka Smarak' Lecture : *Delivered by* Dr. Jitanjali Borpujari, Former Head of Assamese Department, Mariani College.












## কাৰ্যসূচী ঃ ১০

**Celebrated Teacher’s Day & On this Occasion verious Function was held:**

**শিক্ষক দিৱস উদ্‌যাপন ঃ**

**০৫/০৯/২০২২ ‘অন্বেষণ’ পত্ৰিকা উন্মোচনী সভা ঃ**

05/09/2022 Inaugural Ceremony on Department Journal ‘Annweshan’:

অসমীয়া বিভাগৰ অসমীয়া সাহিত্য চ’ৰাৰ মুখপত্ৰ ২ সংখ্যা **‘অন্বেষণ’**ৰ উন্মোচনৰ বাবে এখন সভা অনুষ্ঠিত কৰা হয়। অন্বেষণ আলোচনীখন কেৱল বিভাগীয় বৰ্তমানৰ আৰু পুৰণি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ৰচিত লেখাৰে প্ৰকাশ কৰা হয়। সম্পাদনা কৰে বিভাগৰ সহকাৰী অধ্যাপিকা ড° সুগন্ধি দাসে। অন্বেষণ উন্মোচন কৰে মৰিয়নি মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা তথা অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধাপিকা ড° জিতাঞ্জলি বৰপূজাৰীয়ে। সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড হৰেণ গোৱালা উপাধ্যক্ষ লাচিত গগৈ আৰু অন্যান্য অধ্যাপক, অধ্যাপিকাসকল। সভা পৰিচালনা কৰে বিভাগীয় মুৰব্বী ড° মানৰী গগৈয়ে।






**কাৰ্যসূচী ঃ ১০**

**০৫/০৯/২০২২ প্ৰাচীৰ পত্ৰিকা উন্মোচন ঃ**

05/09/2022 Wall Magazine ‘Homoloya’ Inaugural Ceremony:

(১) শিক্ষক দিৱস উপলক্ষে পৰম্পৰাগতভাৱে প্ৰকাশ কৰি অহা বিভাগীয় প্ৰাচীৰ পত্ৰিকা ‘সমলয়’ উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকা ‘সমলয়’ উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালাদেৱে।

(২) আন এখন প্ৰাচীৰ পত্ৰিকা ‘জোনাক’ উন্মোচন কৰে পূৰ্বৰ মূৰব্বী অধ্যাপিকা তথা মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° জিতাঞ্জলী বৰপূজাৰীয়ে।



**কাৰ্যসূচী ঃ ২০**

**০৫/০৯/২০২২ হাতেলিখা ‘কাঁচিয়লি’ আলোচনী উন্মোচন ঃ**

05/09/2022 Hand Written Magazine ‘Kachiali’ Inaugural Ceremony:

পৰম্পৰাগতভাৱে অসমীয়া বিভাগে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি কাঁচিয়লি নামৰ হাতেলিখা আলোচনী উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰে অধ্যক্ষ ড° হৰেণ গোৱালাই।

শিক্ষক দিৱসত কেৱল ছাত্ৰ-ছাত্ৰীৰ (প্ৰাক্তন আৰু বৰ্তমানৰ)



## কাৰ্যসূচী ঃ ১০

### ১৯/০৯/২০২২ বক্তৃতা অনুষ্ঠান ঃ

### 19/09/2022 Special talk on Fulfillment of Life goals and personality:

অসমীয়া বিভাগৰ উদ্যোগত ‘জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা’ শীৰ্ষক বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। বক্তৃতাৰ সমল ব্যক্তি আছিল দিগন্ত বিশ্ব শৰ্মা। অনুষ্ঠানৰ আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপিকা ৰিম্পী লাহনে আৰু শলাগৰ শৰাই আগবঢ়াই বিভাগীয় মুৰব্বী ড° মানৱী গগৈয়ে।







Visited the MARIANI COLLEGE, MARIANI, ASSAM for the first time today as a speaker invitee to talk on AIM IN LIFE AND PERFECTION OF PERSONALITY being organised by the Department of Assamese of the college.““I was overwhelmed at their warm welcome followed by extremely cordial hospitalities extended to me by the entire college fraternity led by its dynamic Principal Dr. Horen Gowala.““I was particularly delighted to have engaged myself in a meaningful informal interactive session that took place immediately after my speech as I was indeed moved by the inquisitiveness of the audience present in the hall.““I enjoyed speaking, for, not only was the event organised without a single flaw, the hall was full of enthusiastic students and teachers. It was really a brilliantly organised and appropriately managed event led and initiated by the HOD, Assamese, Dr. Manabi Gogoi in collaboration with her colleagues and students.““The proactive attitude of the entire college fraternity led by its Principal as well as the mutual collaborative attitude among the teachers and the students which I have observed have indeed delighted me.““I wish and anticipate a bright and brilliant future ahead for the college. “My heartfelt thanks and gratitude to the entire college fraternity.” -- *Diganta Biswa Sarma.*

কাৰ্যসূচী ঃ ১০

২৭/০৯/২০২২ বিভাগীয় সভা ঃ

27/09/2022 Departmental Meeting :

কাৰ্যসূচী ঃ ২৩

০৫/১১/২০২২ আলোচনা সত্ৰ ঃ

05/11/2022 Student’s Seminar

3rd Semester Student :

Sub : “Janagosthiya Hajpar, Lokachar aru Lokobishwas”.









কাৰ্যসূচী ঃ ১০

11/11/2022 Inaugural Function on ‘Prabandha Sanchayan’ 3rd Part.

A book of Assamese Article(ISBN)

Published by - Department of Assamese, Mariani College.

***Inaugurated by*** - Dr. Dhrubajyoti Borthakur, Geologist, Oil and Natural Gas Commission, Cinamara, Jorhat.



মৰিয়নি মহাবিদ্যালয়ত ‘প্ৰবন্ধ সঞ্চয়ন’ উন্মোচন

## ছাত্ৰ-ছাত্ৰীৰ মাজত বৌদ্ধিক আড্ডা হ’ব লাগে

**প্ৰতিবেদক, মৰিয়নি, ১১ নৱেম্বৰ ঃ** মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি অনুষ্ঠিত এক গ্ৰন্থ উন্মোচনী সভাত ‘প্ৰবন্ধ সঞ্চয়ন’ উন্মোচন কৰে মুখ্য পদাৰ্থবিদ ধ্ৰুৱজ্যোতি বৰঠাকুৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নশীল হ’বলৈ আহ্বান জনাই তেওঁ কয়— আৰ্থিক দৈন্যতা জীৱনৰ উন্নতিৰ পথত অন্তৰায় কেতিয়াও হ’ব নোৱাৰে। তেওঁ আৰু কয় যে ছাত্ৰ-ছাত্ৰীৰ মাজত বৌদ্ধিক আড্ডা হ’ব লাগে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই সকলোকে অধ্যয়ন কৰিবলৈ আহ্বান জনাই মানসিকভাৱে বিকাশ হ’বৰ বাবে বিভিন্ন কিতাপ পঢ়াৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰে। অধ্যাপিকা ড° মানৱী গগৈয়ে সঞ্চালনা কৰা সভাখনত উপাধ্যক্ষ লাচিত গগৈ, অধ্যাপিকা অৰ্চনা শইকীয়া, জ্যেষ্ঠ অধ্যাপক বিকাশ দত্ত আদিয়েও বক্তব্য আগবঢ়ায়। জ্যেষ্ঠা অধ্যাপিকা ড° বাণী বৰাই সম্পাদনা কৰা ‘প্ৰবন্ধ সঞ্চয়ন’ৰ তৃতীয় সংখ্যাটো আজি উন্মোচন কৰা হয়। সম্পাদকৰ মন্তব্যত ড° বাণী বৰাই কিতাপখন প্ৰকাশৰ আঁৰৰ কথা ব্যক্ত কৰে। পৰৱৰ্তী ৮ পৃষ্ঠাত



আঞ্চলিক

## মৰিয়নি মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা

## কাৰ্যসূচী ঃ ১০

### ২৪/১১/২০২২ লাচিত দিৱস ঃ

### 24/11/2022 LACHIT DIVAS :

২৪ নৱেম্বৰ, ২০২২ তাৰিখে মৰিয়নি মহাবিদ্যালয়ৰ প্ৰাঙ্গণত বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তীত ৪০০ গছ বন্তি প্ৰজ্জ্বলন কৰা হয়। অসমীয়া বিভাগেও এই অনুষ্ঠানত বিশেষভাৱে অংশ গ্ৰহণ কৰে।










**-- 0000 --**